## পালি ভাষাৰ বৈশিষ্ট্য ঃ

বৈদিক সংস্কৃতৰ পৰাই পৰৱৰ্তী কালত পালি ভাষাই ৰূপ লৈছিল বাবে ধ্বনিগত, ৰূপগত, শব্দগত ইত্যাদি বৈশিষ্ট্যৰ প্ৰায় মিল দেখা যায়। কিছু কিছু ক্ষেত্ৰত বৈসাদৃশ্য দেখা যায়।

১। পালিত সংস্কৃতৰ ১৪টা স্বৰধ্বনিৰ ভিতৰত ৮টাৰহে ব্যৱহাৰ থাকিল। সেইকেইটা হৈছে— অ, আ, ই, ঈ, উ, ঊ, এ, ও।

২। সংস্কৃতৰ ঋৃ, ৯-ৰ ব্যৱহাৰ লুপ্ত হ'ল।

৩। ঋ-কাৰৰ পৰিৱৰ্তন হৈ —অ, ই, উ, এ, ৰ, ৰি, ৰু ৰূপে ব্যৱহাৰ হ'ল। যেনে—

ঋ > অ; মৃত > মত

ঋ > ই; ঋষি > ইসি

ঋ > উ; মৃদু > মুদু

ঋ > এ; গৃহ > গেহ

ঋ > ৰ; বৃক্ষ > ব্ৰহা

ঋ > ৰি; ঋণ > ৰিণ

ঋ > ৰু; বৃক্ষ > ৰুক্‌খ ইত্যাদি।

৪। সংস্কৃতৰ '৯' কাৰ উ কাৰত পৰিৱৰ্তন হৈছিল। যেনে— ক৯প্ত > কুত্ত।

৫। ঐ > এ, ই, ঈ আৰু ঔ > ও, অ, আ, উ লৈ পৰিৱৰ্তন হৈ ব্যৱহাৰ হৈছিল। যেনে—

ঐ > এ শৈল > সেল

ঐ > ই— ঐশ্বৰ্য > ইস্‌সৰিঅ,

ঐ > ঈ— গ্ৰৈৱেষম্ > গীৱেসং

ঔ > ও— যৌৱন > যোব্বন

ঔ > অ— সৌম্য > সম্ম

ঔ > আ— গৌৰৱম > গাৰৱম

ঔ > উ— উৎসৌক্য > উস্সুক।

৬। অয় > এ আৰু অৱ > ও হয়।

যেনে— নয়তি > নেতি

লৱনং > লোণং

৭। পালিত ব্যঞ্জন বৰ্ণৰ সংখ্যা ৩৩ টা। যেনে— ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য, ৰ, ল, ৱ, স, হ, য়, ং।

৮। সংস্কৃতৰ শ, ষ, স-ৰ ভিতৰত পালিত কেৱল 'স' ৰক্ষিত হ'ল।

৯। সংযুক্ত বৰ্ণবিলাক প্ৰায়ে সৰলীকৰণ হ'ল। যেনে— ৰক্ত > ৰত্ত।

১০। একেলগে একেধৰণৰ দুটা বৰ্ণ থাকিলে এটা অন্য ধ্বনিলৈ পৰিণত হয়। যেনে— ললাট > নলাট

১১। পদান্ত 'ম' অনুস্বাৰ হয়,

যেনে— গৃহম্ > গেহং

বুদ্ধম > বুদ্ধং

১২। 'ন' কেতিয়াবা 'ণ'ত পৰিৱৰ্তন হয়।

নৱ > ণৱ।

অৱনত > ওণত।

১৩। পালিত বিসৰ্গৰ প্ৰয়োগ নাই, অৰ্থাৎ লুপ্ত হ'ল আৰু -ও-কাৰত পৰিণত হ'ল।

যেনে— নৰঃ > নৰো,

ধৰ্ম্মঃ > ধম্মো।

১৪। অনুস্বাৰৰ বাহিৰে পদান্ত ব্যঞ্জন লুপ্ত হয়,

যেনে— পশ্চাৎ > পচ্ছা,

বিদ্যুৎ > বিজ্জু।

১৫। পালিত ৰেফৰ (ʼ)ৰ প্ৰয়োগ নাই। ৰেফ্‌যুক্ত সংস্কৃত শব্দ প্ৰায়েই দ্বিত্ব হয়। যেনে— কাৰ্য > কয্য,

অৰ্থঃ > অত্থো।

১৬। আদিস্থিত 'ক্ষ' প্ৰায়ে 'খ' অথবা 'ছ'ত পৰিণত হয়।

যেনে— ক্ষণ > ছণ,

ক্ষেমঃ > খেমো।

১৭। বৰ্ণ বিপৰ্যয় বা স্বৰ ভক্তিৰ দ্বাৰা শব্দৰ পৰিৱৰ্তন হোৱাটো পালিৰ আন এটা বৈশিষ্ট্য।

যেনে— ক্লেশ > কিলেশ

জ্যোৎস্না > জোনহা

১৮। 'ৰ' আৰু 'ল'ৰ অভেদ প্ৰয়োগ হয়।

যেনে— পৰি > পলি

ৰোম > লোম ইত্যাদি।

১৯। 'ন' আৰু 'ল' ৰ অভেদ প্ৰয়োগ হয়।

ললাত > নলাত

লাংগল > নাংগল ইত্যাদি।

**শব্দগত বৈশিষ্ট্য**

পালিৰ সন্ধি অতি স্বাভাৱিক, সংস্কৃতৰ দৰে কোনো জটিলতা নাই।

১। প্ৰায় সকলো শব্দই স্বৰান্ত ৰূপ পালে। পালিত পদান্ত ব্যঞ্জন লোপ পোৱাৰ ফলত ব্যঞ্জনান্ত শব্দই স্বৰান্ত ৰূপ ল'লে।

যেনে—আত্মন্ > অত্তা। যুৱন্ >যুৱা,

চক্ষুস > চক্‌খু, গুণৱান > গুণৱা আদি।

২। অধিকাশ শব্দই বিশেষকৈ ই-কাৰান্ত, উ-কাৰান্ত আৰু ও-কাৰান্ত শব্দৰূপ অ-কাৰান্ত শব্দৰ দৰে হ'ল।

যেনে— পুত্ৰ > পুত্তস্‌স,

মুনি > মুনিস্‌স.

পিতৃ > পিতুস্‌স আদি।

৩। সাদৃশ্যৰ প্ৰভাৱত বিভক্তিৰ বিভিন্নতা একাকাৰ হৈ পৰাটো পালি ভাষাৰ শব্দ ৰূপৰ প্ৰধান বৈশিষ্ট্য। সাদৃশ্যৰ কাৰণেই চতুৰ্থীৰ ৰূপ ষষ্ঠীৰ ৰূপৰ দৰে হ'ল। পঞ্চমীৰ ৰূপ তৃতীয়াৰ দৰে হ'ল; স্ত্ৰী লিংগৰ বিশেষ্যৰ একবচনৰ ৰূপ তৃতীয়াৰ পৰা সপ্তমী পৰ্যন্ত একে হ'ল।

৪। সংস্কৃতৰ দ্বিবচন পালিত লুপ্ত হ'ল; দ্বিবচনৰ স্থানত বহুবচন যুক্ত হ'ল; কেৱল একবচন আৰু বহুবচন এই দুটা বচনতহে শব্দৰূপ হয়।

৫। বৈদিক শব্দৰ পৰা কিছু অৱশিষ্ট পালিত ৰক্ষিত হৈছে। বৈদিক শব্দৰূপৰ তৃতীয়া আৰু পঞ্চমীৰ 'এহি' আৰু 'এভি'ৰ ব্যৱহাৰ পালিত ব্যৱহাৰ আছে। যেনে—

বুদ্ধেহি, বুদ্ধেভি।

৬। পালিৰ শব্দৰূপৰ অন্য এক বৈশিষ্ট্য হ'ল— বৈকল্পিক বিভক্তিৰ ব্যৱহাৰ। বিভক্তিৰ প্ৰয়োগত বিভিন্ন বিকল্প ৰূপ দেখা যায়।

**ধাতুৰূপৰ বৈশিষ্ট্য ঃ**

১। ধাতুৰূপৰ ক্ষেত্ৰতো সংস্কৃতৰপৰা বহু পৰিমাণে সৰলীকৰণ হ'ল।

২। শব্দৰূপৰ দৰে ধাতুৰূপতো দ্বিবচন লুপ্ত হ'ল।

৩। বিভক্তি মূলতঃ সংস্কৃতানুযায়ী যদিও ধ্বনি পৰিৱৰ্তনৰ কাৰণে ৰূপৰ পৰিৱৰ্তন ঘটিছে।

৪। সংস্কৃতৰ ধাতুৰ দহটা 'গণ'ৰ ঠাইত পালিত সাতোটা 'গণ' ৰক্ষিত হ'ল। যেনে— ভূৱাদি, ৰুধাদি, দিবাদি, স্বাদি, কিয়াদি, ভন্যাদি, চুৰাদি।

৫। আত্মনেপদ আৰু পৰস্মৈপদী পদৰ ব্যৱহাৰ থাকিলেও আত্মনেপদ পদৰ ব্যৱহাৰ তেনেই কম।

৬। পালিত কৰ্ম কৰ্তৃবাচ্য লোপ পালে।

৭। বৈদিক সংস্কৃতৰ দহোটা কালৰ পালিত ৮টা কালহে ৰক্ষিত হ'ল।

এনেদৰে দেখা যায় সংস্কৃতৰ পৰৱৰ্তী সময়ত সাহিত্যিক ভাষাৰূপে প্ৰতিষ্ঠিত হোৱা পালি ভাষাত বৈদিক সংস্কৃতৰ কিছু উপাদান ৰক্ষিত হৈছিল যদিও কিছুমান স্বতন্ত্ৰ বৈশিষ্ট্যৰেও প্ৰতিষ্ঠিত হৈছিল।

ভাষাগত পৰিৱৰ্তনলৈ লক্ষ্য কৰি মধ্য ভাৰতীয় আৰ্যভাষাক প্ৰধান তিনিটা স্তৰত ভাগ কৰা হয়—

মধ্য ভাৰতীয় আৰ্য ভাষা →

(ক) আদি স্তৰ বা প্ৰাচীন প্ৰাকৃত বা পালি ভাষা (খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীৰপৰা খ্ৰীষ্টাব্দ প্ৰথম শতাব্দী)

(খ) মধ্যস্তৰ বা মধ্য প্ৰাকৃত বা প্ৰাকৃত স্তৰ (খ্ৰীষ্টাব্দ প্ৰথম শতাব্দীৰপৰা খ্ৰীষ্টাব্দ ষষ্ঠ শতাব্দীলৈ)

(গ) অন্ত্য স্তৰ বা অন্ত্য প্ৰাকৃত বা অপভ্ৰংশ (খ্ৰীষ্টাব্দ ষষ্ঠ শতাব্দীৰপৰা খ্ৰীষ্টাব্দ দশম শতাব্দী পৰ্যন্ত)

**(ক) আদি প্ৰাকৃত বা পালি ভাষা ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰৰ অৰ্থাৎ আদি প্ৰাকৃতৰ সাহিত্যিক ভাষাটোকেই পালি ভাষা বা আদি প্ৰাকৃত বোলা হয়। খুব চমুকৈ বৌদ্ধ ধৰ্ম শাস্ত্ৰকাৰসকলে যি ভাষাৰে বৌদ্ধ শাস্ত্ৰসমূহ লিপিবদ্ধ কৰিছে সেই ভাষাকেই পালি ভাষা বুলি কোৱা হৈছে। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীমানত প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ যি বৈদিক সংস্কৃত ভাষাৰ ৰূপ বিৱৰ্তন হৈছিল, সামগ্ৰিকভাৱে সেই বিৱৰ্তিত ৰূপটোকে 'প্ৰাকৃত' বোলা হৈছিল; পালিক তাৰেই প্ৰথম সাহিত্যিক ৰূপ বুলি ক'ব পৰা যায়। অৰ্থাৎ প্ৰাকৃতৰ আদি স্তৰৰ প্ৰথম সাহিত্যিক নিদৰ্শন হৈছে পালিভাষা। বৈদিক ভাষাৰ পৰিৱৰ্তনৰ ফলত সুগঠিত আৰু প্ৰণালীবদ্ধভাৱে পণ্ডিতসকলৰ জৰিয়তে সৃষ্টি হ'ল সংস্কৃতৰ আৰু আনফালে অপ্ৰণালীৱদ্ধভাৱে ভাষাৰ স্বাভাৱিক গতিবেগেৰে জনসমাজৰ মাজত যি ৰূপ প্ৰচলিত হৈ থাকিল সিয়ে নাম পালে 'প্ৰাকৃত'। প্ৰাকৃত স্তৰৰ প্ৰথম কালছোৱাত অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ৬ষ্ঠ শতাব্দীৰপৰা খ্ৰীষ্টাব্দ প্ৰথম শতাব্দী— সম্ৰাট অশোকৰ ৰাজত্ব কালত জনসাধাৰণৰ মুখৰ কথিত ভাষাৰূপে চলি থকা পালি ভাষাটোৱে সাহিত্যিক ভাষা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। বুদ্ধদেৱে এই সময়তে জন্মগ্ৰহণ কৰি জনসাধাৰণৰ সামাজিক মুক্তি আৰু আধ্যাত্মিক শান্তিৰ বাবে জনসাধাৰণৰ কথিত ভাষাতে সহজ-সৰল ধৰ্মবাণী প্ৰচাৰ কৰিছিল। বুদ্ধৰ মহা প্ৰয়াণৰ পিছত তেওঁৰ ধৰ্মবাণীসমূহ সংকলনৰ প্ৰচেষ্টা কৰা হৈছিল। কেইবাশ বছৰৰ প্ৰচেষ্টাৰে বৌদ্ধ ধৰ্মাচাৰ্যসকলে তৎকালীন

ভাৰতৰ জনসমাজৰ মাজত প্ৰচলিত প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি অৰ্থাৎ জনসাধাৰণৰ কথিত ভাষাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এটা পৰিমাৰ্জিত ভাষাৰ ৰূপত বুদ্ধৰ বাণী বা উপদেশসমূহ একত্ৰ সংকলন কৰে। কালক্ৰমত বুদ্ধবচন সংকলিত এই বৌদ্ধ শাস্ত্ৰসমূহৰ ভাষাই পালি নামেৰে জনাজাত হয়। গতিকে ক'ব পাৰি 'পালি' হ'ল প্ৰাচীন প্ৰাকৃতৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা বৌদ্ধ ধৰ্ম-সাহিত্যৰ ভাষা। ই ভাৰতৰ কোনো অঞ্চলৰ কথিত ভাষা নহয়। ইয়াৰ উৎপত্তি প্ৰাচীনতম প্ৰাকৃতৰপৰা হৈছে।

## *তৃতীয় বৰ্ষ ঃ পঞ্চম যান্মাসিক*

**M-504** *ঃ চতুৰ্থ কাকত ঃ পালি-প্ৰাকৃত সাহিত্য আৰু ব্যাকৰণ* *মূল্যাংক ঃ ৬০*

| | | | | |
|---|---|---|---|---|
| প্ৰথম গোট | ঃ | পালি-প্ৰাকৃত সাহিত্যৰ উদ্ভৱ আৰু বিকাশ | — | ১৫ |
| দ্বিতীয় গোট | ঃ | 'ধৰ্ম্মপদ'ৰ অপ্পমাদ (প্ৰথম আঠটা শ্লোক)<br>কৰ্পূৰ মঞ্জৰীৰ প্ৰথম অংকৰ প্ৰথম দহটা শ্লোক | — | ১৫ |
| তৃতীয় গোট | ঃ | শকুন্তলা নাটকৰ ষষ্ঠ অংকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ<br>কথোপথন; সন্দেশৰাসক প্ৰথম প্ৰকৰণ (১—৮) | — | ১৫ |
| চতুৰ্থ গোট | ঃ | দ্বিতীয় আৰু তৃতীয় গোটৰ অন্তৰ্গত পাঠৰ আধাৰত<br>পালি-প্ৰাকৃত অপভ্ৰংশ-অৱহঠ ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন | — | ১৫ |

*প্ৰসংগ পুথি*


A.C. Woolner ঃ Introduction to Prakrit

বিধুশেখৰ ভট্টাচাৰ্য ঃ পালি প্ৰকাশ

নগেন ঠাকুৰ ঃ পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য

ঃ প্ৰাকৃত সাহিত্যৰ অধ্যয়ন

ভুৱনেশ্বৰী বৈশ্য ঃ প্ৰাকৃত ভাষা-সাহিত্য পৰিচয়

সত্যেন্দ্ৰনাৰায়ণ গোস্বামী ঃ প্ৰাকৃত সাহিত্য

ঃ ধৰ্ম্মপদ

ভীমকান্ত বৰুৱা আৰু
কেশৱানন্দ দেৱগোস্বামী ঃ প্ৰাকৃত-পাঠ

কেশৱানন্দ গোস্বামী (সম্পাদিত) ঃ সন্দেশৰাসক

লীলাৱতী শইকীয়া বৰা ঃ সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ

# পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য

ড° নগেন ঠাকুৰ

কে. এম. পাব্লিছিং

# ধম্মপাদ

ড সত্যেন্দ্রনাৰায়ণ গোস্বামী

চন্দ্ৰ প্ৰকাশ

পাণবজাৰ, গুৱাহাটী-১